**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-03-2026 **Time :** 12.05 Hrs.

oooooooo

**HEADLINES** (12.05 PM)

১। বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক-বিৰোধী উভয়ৰে তাৰকা প্ৰচাৰকক লৈ প্ৰচাৰ অভিযান তীব্ৰ।

২। নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যজুৰি কটকটীয়া নিৰাপত্তা ব্যৱস্থা।

৩। ফাষ্ট ট্ৰেক আদালতত আজিৰে পৰা শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ শুনানি।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত ৰাজস্থান ৰয়েলছ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি।

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি জাগীৰোড আৰু বোকাখাতত প্ৰচাৰ চলাব। তেওঁ জাগীৰোডৰ দেওশালত বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী পীযুষ হাজৰিকাৰ হৈ আৰু বোকাখাতত অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীনবীনে কালি মাৰ্ঘেৰিটা, জোনাই আৰু গোগামুখত বিজয় সংকল্প সভাত অংশ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৫ টা সমষ্টিত প্ৰচাৰ অভিযানত ভাগ লব। তেওঁ মাজুলীৰ গড়মূৰৰ মিনি ষ্টেডিয়ামত বিজয় সংকল্প সভাত অংশ লয় আৰু এন ডি এ সমৰ্থিত প্ৰাৰ্থী ভূৱন গামৰ হৈ প্ৰচাৰ চলায়। তেওঁ বিয়লিৰ ভাগলৈ নাওবৈচা, চিচিবৰগাওঁ আৰু শদিয়াত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। সন্ধিয়ালৈ তেওঁ ডিব্ৰুগড়ত এটা ৰোড শ্ব'ত ভাগ ল'ব।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি ৫টা প্ৰতিশ্ৰুতিৰে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

এ আই এম আই এম দলৰ সভাপতি আছাদুদ্দিন ওৱেইছীয়ে অহা ২ এপ্রিলত ৰূপহীহাট, চামগুৰি, দ'লগাওঁ, ধিং, লাহৰীঘাটত আৰু ৩ এপ্রিলত বিন্নাকান্দি, গোৱালপাৰা পূৱ, ধুবুৰী, চেঙা আৰু মন্দিয়াত এ আই ইউ ডি এফৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

0000000

অহা ৯ এপ্রিলত হ'বলগীয়া বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যজুৰি নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰথমবাৰৰ বাবে এটা পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। সুৰক্ষাজনিত দিশৰ প্ৰতি লক্ষ্য ৰাখি বহিঃৰাজ্যৰ পৰা কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ বহুকেইটা বেটেলিয়নৰ ভালেসংখ্যক জোৱান নিয়োগ কৰা হৈছে। তদুপৰি হোমগাৰ্ড আৰু বিভিন্ন পদৰ বিষয়াকে ধৰি ৭৪ হাজাৰৰো অধিক অসম আৰক্ষীৰ বিষয়া জোৱানক নিয়োগ কৰা হৈছে। ইপিনে আন্তঃৰাজ্যিক আৰু আন্তঃজিলা সীমান্তত চিচিটিভি নিৰীক্ষণৰ ব্যৱস্থাৰ উপৰি তালাচী অভিযান তীব্ৰতৰ কৰি তোলা হৈছে। ৰাজ্যৰ ১৩৪টা সীমান্ত পহৰা চকীত অহৰ্নিশে ফ্লায়িং স্কোৱাডে সূক্ষ্মভাৱে তালাচী অভিযান চলাই আছে। কাছাৰ জিলাত ফ্লায়িং স্কোৱাডে বৰ্তমানলৈকে ১৩ লাখৰো অধিক নগদ ধন, প্ৰায় ৯ লাখ টকাৰ সুৰা, প্ৰায় ১২ লাখ টকাৰ হেৰ'ইন আৰু ভাং জব্দ কৰিছে। কামৰূপ জিলাত গ্ৰহণ কৰা নিৰাপত্তাজনিত ব্যৱস্থা সন্দৰ্ভত জিলাখনৰ সংবাদদাতা কৌশিক দাসে এইদৰে কয়—

**ভইচকাষ্ট (কৌশিক দাস)**

SVEEP/RNU (30-03-2026) 12.05 PM

বিধানসভা নিৰ্বাচন উপলক্ষে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলাই জিলাই প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়া অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত বিভিন্ন সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানে চহৰ-নগৰ আৰু গ্ৰামাঞ্চলকে ধৰি সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি লৈছে। বিশেষকৈ নৱপ্ৰজন্মৰ ভোটদাতাসকলৰ মাজত এই বিষয়ত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে। **তিনিচুকীয়া** জিলা প্ৰশাসনে মাৰ্ঘেৰিটা সমষ্টিৰ দিহিং চাহ বাগিচাত আয়োজন কৰা সভাত ভোটাৰ তথ্য পত্ৰ বিতৰণৰ উপৰি ভোটগ্ৰহণ কেন্দ্ৰ, ক্ৰমিক নম্বৰ, ভোটদানৰ তাৰিখ আৰু সময় সন্দৰ্ভত জনসাধাৰণক সজাগ কৰিছে। **চিৰাং** জিলা প্ৰশাসনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে ভোটাৰ সাক্ষৰতা অভিযানৰ অংশ হিচাপে গছপুলি ৰোপণৰ দৰে কাৰ্যসূচী ৰূপায়ণ কৰিছে। একেদৰে **নগাঁও** জিলা প্ৰশাসনে বিদ্যালয় পৰিদৰ্শক কাৰ্যালয়ৰ সৌজন্যত জন সচেতনতামূলক কাৰ্যসূচীৰ উপৰি বেনাৰ, পোষ্টাৰ আৰু শ্ল'গানৰ ব্যৱহাৰেৰে সজাগতা বৃদ্ধি কৰাৰ প্ৰয়াস কৰিছে। জিলাই জিলাই বিভিন্ন নামেৰে নিৰ্বাচনী শুভংকৰো মুকলি কৰা হৈছে। **ধুবুৰী** জিলা প্ৰশাসনে ব্ৰহ্মপুত্ৰৰ নদী ড'লফিনৰ প্ৰেৰণাৰে **শিহুৰীয়া**, শীতৰ পৰিভ্ৰমী চৰাই দেওৰাজ হাঁহক লৈ **মাজুলী** জিলা প্ৰশাসনে **দেওৰাজ**, দুগ্ধশিল্পই **বজালী** জিলাৰ অৰ্থনীতিত আগবঢ়োৱা বৰঙণিৰ চিহ্ন হিচাপে **কামধেনু**, **মানস অভয়াৰণ্য**ত বিলুপ্তিপ্ৰায় নলগাহৰি আধাৰত, বাক্সা জিলাত **পিগমি** শীৰ্ষক শুভংকৰ মুকলি কৰিছে।

00000000

শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ গোচৰৰ শুনানি আজিৰে পৰা ফাষ্ট ট্ৰেক আদালতত চলিব। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতে আজিৰে পৰা দৈনিক জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি গ্ৰহণ কৰিব। উল্লেখযোগ্য যে, চৰকাৰৰ আহ্বান মৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে শিল্পীগৰাকীৰ মৃত্যুৰ গোচৰ পৰিচালনাৰ বাবে বাক্সা জিলাৰ জিলা আৰু চেছন ন্যায়াধীশ শৰ্মিলা ভূঞাক ফাষ্ট ট্ৰেক আদালতৰ বাবে মনোনীত কৰিছিল। এই অনুসৰি উচ্চ ন্যায়ালয়ে যোৱা ২৬ মাৰ্চত ন্যায়াধীশগৰাকীক বাক্সাৰ পৰা গুৱাহাটীলৈ বদলিৰ নিৰ্দেশ দিয়ে। এই নিৰ্দেশৰ পাছতেই আজি কামৰূপ জিলা আৰু চেছন ন্যায়াধীশৰ ৩ নম্বৰ আদালতত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ নেতৃত্বত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি গ্ৰহণ কৰা হ'ব। শুনানিৰ বাবে জুবিন গাৰ্গৰ সহযোগী শিল্পী পাৰ্থ প্ৰতীম গোস্বামী আৰু বাদ্যযন্ত্ৰী ৰাজা বৰুৱা ইতিমধ্যে আদালতত উপস্থিত হৈছে।

০০০০০০০

ভূ-ৰাজনৈতিক পৰিস্থিতিৰ ফলস্বৰূপে বিশ্বজুৰি শক্তি যোগানত প্ৰভাৱ পেলোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত উৎকৃষ্টমানৰ কেৰাচিন বিতৰণৰ বাবে অধিসূচনা জাৰি কৰিছে। এই অধিসূচনাৰ জৰিয়তে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে কেৰাচিনৰ ব্যৱহাৰ বন্ধ কৰি দিয়া ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ নিৰ্ধাৰিত ইন্ধন কেন্দ্ৰসমূহক ঘৰুৱা ব্যৱহাৰৰ বাবে উৎকৃষ্টমানৰ কেৰাচিন মজুত তথা বিতৰণৰ বাবে অনুমতি প্ৰদান কৰিছে। এই অধিসূচনা অনুসৰি প্ৰতিখন জিলাতে ৰাজহুৱা খণ্ডৰ তেল কোম্পানীসমূহৰ অধীনৰ ইন্ধন কেন্দ্ৰসমূহত ৫ হাজাৰ লিটাৰ পৰ্যন্ত কেৰাচিন মজুত কৰি ৰাখিব পাৰিব। অতি শীঘ্ৰে যাতে কেৰাচিনৰ বিতৰণ কৰিব পৰা যায় তাৰ বাবে নিৰ্দিষ্ট অনুজ্ঞাপত্ৰ অবিহনে ডিলাৰ আৰু পৰিবহণকাৰীসকলে এয়া কাৰ্যকৰী কৰিব পাৰিব। এই অধিসূচনা তাৎক্ষণিকভাৱে বলৱৎ কৰা হৈছে আৰু পৰৱৰ্তী ৬০ দিন অথবা পৰৱৰ্তী অধিসূচনা জাৰি নকৰা পৰ্যন্ত বাহাল থাকিব।

০০০০০০০০০

শিৱসাগৰ জিলাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দিখৌ নদীৰ ওপৰত থকা গেমন দলংখনৰ খহি যোৱা অংশ যুদ্ধকালীন তৎপৰতাৰে পুনৰ নিৰ্মাণ কৰিবলৈ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে, যোৱা শুকুৰবাৰে দলংখনৰ এটা অংশ খহি পৰাৰ ফলত পথটোৰে যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰিছে। যোৰহাট, ডিব্ৰুগড় আৰু তিনিচুকীয়া সংযোগী এই পথটোৰে যোগাযোগ ব্যৱস্থা ব্যাহত হোৱাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণ ভিতৰুৱা পথেৰে যাত্ৰা কৰিবলগীয়া হোৱাত গন্তব্য স্থান পাবলৈ অতিৰিক্ত ২০-৩০ কিলোমিটাৰ পথ অতিক্ৰম কৰিবলগীয়া হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০০

**সমাপ্ত**